# 2019

## ELECTIVE ASSAMESE

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। এটা শব্দ বা বাক্যত উত্তৰ লিখা : ১×১০=১০

(ক) ‘অসমীয়া ব্যাকৰণৰ মৌলিক বিচাৰ’ পুথিখন কাৰ ৰচনা ?

(খ) বাণীকান্ত কাকতিৰ গৱেষণামূলক গ্ৰন্থ, *Assamese : Its Formation and Development* কোন চনত প্ৰকাশ হৈছিল ?

(গ) ১৮৩৯ চনত ৰবিন্সন চাহাবে ৰচনা কৰা প্ৰথম অসমীয়া ব্যাকৰণখনৰ নাম কি ?

(ঘ) ভাষাৰ ক্ষুদ্ৰতম একক কি ?

(ঙ) মহৰ্ষি পাণিনিয়ে ৰচনা কৰা ব্যাকৰণখনৰ নাম কি ?

(চ) বিভক্তি যোগ নোহোৱাকৈ বাক্যত প্ৰয়োগ হোৱা পদবোৰক কি পদ বোলে ?

(ছ) ভাষাৰ ক্ষুদ্ৰতম অৰ্থযুক্ত গোটটোৰ নাম কি?

(জ) ধাতুৰ পিছত যোগ হৈ নতুন শব্দ গঠন কৰা সৰ্গক কি বোলে?

(ঝ) ৰূপান্তৰ উৎপাদক ব্যাকৰণ (T. G. Grammar)ৰ পিতৃ বুলি কোনগৰাকী ভাষাবিজ্ঞানীক জনা যায়?

(ঞ) 'মৈদাম' শব্দটো কি ভাষাৰ পৰা অসমীয়া ভাষালৈ আহিছে?

২। চমুকৈ উত্তৰ লিখা : ২×৫=১০

(ক) *Grammatical Notes on the Assamese Language* শীৰ্ষক ব্যাকৰণখনৰ ৰচক কোন আৰু গ্ৰন্থখন কোন চনত প্ৰকাশ হৈছিল?

(খ) ধ্বনিৰ পৰিপূৰক প্ৰয়োগ বুলিলে কি বুজা? অসমীয়া ধ্বনিৰ উদাহৰণেৰে বুজাই দিয়া।

(গ) অসমীয়া ভাষাৰ 'অ' আৰু 'স' ধ্বনি দুটা আন্তৰ্জাতিক ধ্বনিলিপিত (IPA) লিখা।

(ঘ) শব্দৰূপৰ সৰ্গ বুলিলে কি বুজা? এটা উদাহৰণ দিয়া।

(ঙ) বাক্যতত্ত্বত সুৰ লহৰৰ গুৰুত্ব সম্পৰ্কে লিখা।

৩। যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ লিখা : ৫×৪=২০

(ক) অধ্যাপক জি. এফ. নিকলৰ অসমীয়া ব্যাকৰণ চৰ্চা সম্পৰ্কে চমুকৈ লিখা।

(খ) অসমীয়া ভাষাৰ দন্তমূলীয় ধ্বনি সম্পৰ্কে সম্যক ধাৰণা দিয়া।

(গ) অসমীয়া ভাষাত বচন ব্যাকৰণগত বিষয় হয় নে নহয়, বুজাই লিখা।

(ঘ) অসমীয়া ভাষাৰ সন্ধি সম্পৰ্কে চমুকৈ লিখা।

(ঙ) অসমীয়া ভাষাত থকা তিব্বত-চীনীয় মূলৰ শব্দমালাৰ বিষয়ে চমুকৈ আলোচনা কৰা।

(চ) তদ্ভৱ শব্দ কি? অসমীয়া ভাষাত তদ্ভৱ শব্দৰ নিদৰ্শন দাঙি ধৰা।

৪। (ক) অসমীয়া ভাষাৰ বিশিষ্ট ব্যঞ্জনধ্বনি কেইটা আৰু কি কি? উচ্চাৰণৰ স্থান আৰু ধৰণ অনুসৰি অসমীয়া বিশিষ্ট ব্যঞ্জনধ্বনিৰ এখন তালিকা প্ৰস্তুত কৰা। ১০

*অথবা*

(খ) জিভাৰ প্ৰসাৰণ আৰু ওঁঠৰ আকৃতি অনুসৰি অসমীয়া ভাষাৰ বিশিষ্ট স্বৰধ্বনিকেইটাক কি কি ভাগত ভগাব পাৰি? প্ৰতিটো ভাগৰ বিষয়ে আলোচনা কৰি ধ্বনিসমূহ শ্ৰেণীবদ্ধ কৰি দেখুওৱা।

৫। (ক) ব্যাকৰণৰ সংজ্ঞা দাঙি ধৰি অসমীয়া বৈয়াকৰণৰ ব্যাকৰণ চৰ্চাৰ ইতিহাস চমুকৈ বৰ্ণনা কৰা। ১০

*অথবা*

(খ) ভাষাবৈজ্ঞানিক দৃষ্টিভংগীৰে ৰচিত ব্যাকৰণ বুলিলে কি বুজা? অসমীয়া ভাষাত এনে ব্যাকৰণ ৰচিত হৈছেনে? আলোচনা কৰা।

৬। (ক) তদ্ধিৎ প্ৰত্যয় কাক বোলে? অসমীয়া ভাষাৰ তদ্ধিৎ প্ৰত্যয়ৰ প্ৰয়োগ আৰু প্ৰকাৰ সম্পৰ্কে উদাহৰণসহ আলোচনা কৰা। ১০

*অথবা*

(খ) কাৰক কাক বোলে? অসমীয়া ভাষাত কাৰক কেইপ্ৰকাৰৰ আৰু কি কি? উদাহৰণসহ আলোচনা কৰা।

৭। (ক) অসমীয়া ভাষাৰ শব্দভাণ্ডাৰত বিদেশীমূলৰ শব্দ সম্বন্ধে বহলাই আলোচনা কৰা। ১০

*অথবা*

(খ) "ভাষাবিজ্ঞানৰ মতে আকাঙ্ক্ষা, যোগ্যতা আৰু আসত্তি নাথাকিলে বাক্য সম্পূৰ্ণ হ'ব নোৱাৰে।" কথাষাৰৰ যুক্তিযুক্ততা প্ৰতিপন্ন কৰা।

★★★